# হাজোত 'ৰামধেনু' অনুষ্ঠান সম্পন্ন



এদিনৰ সংবাদ, হাজো, ২৫ ছেপ্টেম্বৰ : কামৰূপ জিলা সাহিত্য সভাৰ ৰামধেনুৰ উদ্যোগত আৰু হাজো মণিকূট সাহিত্য সমাজ, সুৰেণ দাস মহাবিদ্যালয়ৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে 'ৰামধেনু' অনুষ্ঠান অনুষ্ঠিত হয়। হাজো সুৰেণ দাস মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত 'ৰামধেনু'ৰ কাৰ্যসূচী অনুসৰি পুৱা আঠ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মণিকূট সাহিত্য সমাজৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে। ন বজাত স্মৃতি তৰ্পণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি শিশুৰাম শইকীয়াই। ইয়াৰ পাছতে গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে ডাঃ বিপুল চন্দ্ৰ মেধি, আৰতি ডেকা আৰু সমাজ সেৱক মনোৰঞ্জন মেধিয়ে। পুৱা দহ বজাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাংস্কৃতিক কৰ্মী লাহৰীমোহন দত্তই উদ্বোধন কৰা উক্ত প্ৰতিযোগিতাত (১৪ বছৰৰ ওপৰৰ আৰু ৩৫ বছৰৰ তলৰ ) অঞ্চলটোৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দিনৰ এক বজাৰ পৰা কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি প্ৰভাত বণিয়াৰ পৌৰহিত্যত মুকলিসভা অনুষ্ঠিত হয়। কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্তই আঁত ধৰা আৰু ড° প্ৰবীণ চন্দ্ৰ দাসে উদ্বোধন কৰা সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদুম ৰাজখোৱাই ভাষণত কয় অসমীয়া ভাষাটোৰ প্ৰতি বৰ্তমান সংকট নামি আহিছে। আমি ভাষাটোক উদ্ধাৰৰ বাবে জাতীয় সচেতনতা জাগ্ৰত কৰিব লাগিব, প্ৰত্যেকে জাতিৰ হকে, সমাজৰ হকে কাম কৰিব লাগিব, তেতিয়াহে অসমত অসমীয়া ভাষাক কোনেও হেয় প্ৰতিপন্ন কৰিব নোৱাৰে। সুৰেণ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই আদৰণি ভাষণ দিয়া সভাত প্ৰধান সম্পাদক ৰাজখোৱাই 'ৰামধেনু'ৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। সভাত অসম সাহিত্য সভাৰ 'ৰামধেনু'ৰ কাৰ্যকৰী সভাপতি পুতুলী কায়স্থ, আহ্বায়ক পম্পী হাজং, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ভূধৰ ডেকায়ো বক্তব্য আগবঢ়ায়। এই সভাতে ফণীধৰ মালাকাৰৰ 'সমন্বয়' নাম ৰ গ্ৰন্থ এখনো উন্মোচন কৰে। সভাত প্ৰধান সম্পাদক ৰাজখোৱাক জিলাখনৰ কেইবাটি শাখা সাহিত্য সভাই সম্বৰ্ধনা জনায়। উল্লেখ্য যে অসম সাহিত্য সভাৰ তৰফৰ পৰা হাজো মণিকূট সাহিত্য সমাজক স্বৰ্ণ শাখাৰ প্ৰমাণ পত্ৰ প্ৰধান সম্পাদক ৰাজখোৱাই আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰে। আনহাতে আজি হাজোৰ কলিতাকুছি শাখা সাহিত্য সভাখন গঠন কৰা হয়। বঙ্কিম হুছেইনক সভাপতি আৰু বীৰেন কলিতাক সম্পাদক হিচাপে লৈ পঁচিশজনীয়া কলিতাকুছি শাখা সাহিত্য সভাৰ নতুন সমিতিখন গঠন কৰে।

## ৰতাত অবৈধ সুৰাৰ বিৰুদ্ধে

---

# 'ভাষাৰ উদ্ধাৰৰ বাবে জাতীয় সচেতনতা জাগ্ৰত কৰিব লাগিব'

## হাজোত কামৰূপ জিলা সাহিত্য সভাৰ 'ৰামধেনু' অনুষ্ঠান

প্ৰতিদিন সেৱা, হাজো, ২৫ ছেপ্টেম্বৰ : কামৰূপ জিলা সাহিত্য সভাৰ 'ৰামধেনু'ৰ উদ্যোগত আৰু হাজো মণিকূট সাহিত্য সমাজ, সুৰেন দাস মহাবিদ্যালয়ৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে 'ৰামধেনু' অনুষ্ঠান অনুষ্ঠিত হয়। হাজো সুৰেন দাস মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ৰামধেনুৰ কাৰ্যসূচী অনুসৰি পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মণিকূট সাহিত্য সমাজৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, স্মৃতি তৰ্পণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি শিশুৰাম শইকীয়াই। ইয়াৰ পিচতে গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে ডাঃ বিপুল চন্দ্ৰ মেধি, আৰতী ডেকা আৰু সমাজসেৱক মনোৰঞ্জন মেধিয়ে। পুৱা দহ বজাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাংস্কৃতিক কৰ্মী লাহৰীমোহন দত্তই উদ্বোধন কৰা উক্ত প্ৰতিযোগিতাত (চৈধ বছৰৰ ওপৰৰ আৰু পঁইত্ৰিশ বছৰৰ তলৰ) অঞ্চলটোৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। দুপৰীয়া কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি প্ৰভাত বণিয়াৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্তই আঁত ধৰা আৰু ড° প্ৰবীণ চন্দ্ৰ দাসে উদ্বোধন কৰা সভাত





মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদুম ৰাজখোৱাই ভাষণত কয়— অসমীয়া ভাষাটোৰ প্ৰতি বৰ্তমান সংকট নামি আহিছে। আমি ভাষাটোক উদ্ধাৰৰ বাবে জাতীয় সচেতনতা জাগ্ৰত কৰিব লাগিব। প্ৰত্যেকে জাতিৰ হকে, সমাজৰ হকে কাম কৰিব লাগিব, তেতিয়াহে অসমত অসমীয়া ভাষাক কোনেও হেয় প্ৰতিপন্ন কৰিব নোৱাৰে। সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই আদৰণী ভাষণ দিয়া সভাত প্ৰধান সম্পাদক ৰাজখোৱাই ৰামধেনুৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। সভাত অসম সাহিত্য সভাৰ ৰামধেনুৰ কাৰ্যকৰী সভাপতি পুতুলী কায়স্থ, আহ্বায়ক পম্পী হাজং, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ভূধৰ ডেকায়ো বক্তব্য আগবঢ়ায়। এই সভাতে ফণীধৰ মালাকাৰৰ 'সমন্বয়' নামৰ গ্ৰন্থ এখনো উন্মোচন কৰা হয়। সভাত প্ৰধান সম্পাদক ৰাজখোৱাক জিলাখনৰ কেইবাটাও শাখা সাহিত্য সভাই সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ তৰফৰ পৰা হাজো মণিকূট সাহিত্য সমাজক 'স্বৰ্ণ' শাখাৰ প্ৰমাণপত্ৰ প্ৰধান সম্পাদক ৰাজখোৱাই আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰে। আনহাতে আজিয়ে হাজোৰ কলিতাকুছি শাখা সাহিত্য সভাখন গঠন কৰা হয়। সভাত বঙ্কিম হুছেইনক সভাপতি আৰু বীৰেন কলিতাক সম্পাদক হিচাপে লৈ পঁচিশজনীয়া কলিতাকুছি শাখা সাহিত্য সভাৰ নতুন সমিতিখন গঠন কৰা হয়।